**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-07-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::::**

## ***HEADLINE***

১। লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬ আজি ৰাজ্যসভাত উত্থাপন কৰা হয়।

২। ৰাষ্ট্ৰীয় সন্মানৰ প্ৰতি অপমান প্ৰতিৰোধী সংশোধনী বিধেয়ক ২০২৬ সংসদত গৃহীত হৈছে।

৩। অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে।

৪। পূব কংগোত ইবোলা ভাইৰাছৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৫০০তকৈও অধিক হৈছেগৈ।

*আৰু*

৫। গ্লাছগোত চলি থকা কমনৱেলথ্ গেমছত ভাৰতে তিনিটা সোণ, ৯ টাসহ মুঠ ১৫ টা পদকেৰে তালিকাৰ অষ্টম স্থানত আছে।

০০০০০

ৰাজ্যসভাত আজি লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬-ৰ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হয়। মধ্যাহ্ন ভোজনৰ পিছত সদন পুনৰ মিলিত হোৱাত কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে এই বিধেয়কখন উত্থাপন কৰে। সভাপতি চি পি ৰাধাকৃষ্ণনে কয়, যে বিধেয়কখন সন্দৰ্ভত আলোচনা কৰাৰ বাবে সাত ঘণ্টা সময় ধাৰ্য্য কৰা হৈছে।

বিধেয়কখনত ১০ বছৰলৈ কাৰাবাস, ১০ কোটি টকা পৰ্যন্ত জৰিমনা আৰু দোষী সাব্যস্ত হোৱা অপৰাধীৰ সম্পত্তি বাজেয়াপ্তকে ধৰি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষাৰ সৈতে জড়িত গোচৰসমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে প্ৰত্যেক ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক দৈনিক বিশেষ দ্ৰুত আদালত স্থাপনৰ অধিকাৰ প্ৰদান কৰা হৈছে। বিধেয়কখনত উল্লেখ কৰা অনুসৰি থানাত তথ্য লিপিবদ্ধ হোৱাৰ পৰা দুমাহৰ ভিতৰত গোচৰসমূহৰ তদন্ত আৰু অভিযোগনামা দাখিলৰ তিনি মাহৰ ভিতৰত গোচৰৰ শুনানি সম্পূৰ্ণ কৰিব লাগিব।

সদনত বিধেয়কখন উত্থাপন কৰি ড০ জিতেন্দ্ৰ সিঙে কয়, যে এই বিধেয়কখনে দেশৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মক সুৰক্ষা দিয়াৰ বিষয়টো যে কেন্দ্ৰীয় চৰকাৰে শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয়বস্তু সেই কথাকে প্ৰতিফলিত কৰিছে। তেওঁ কয়, যে প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। পূৰ্বৰ কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্য চৰকাৰৰ শাসনকালত এনেধৰণৰ বহুকেইটা ঘটনাৰ কথা পোহৰলৈ আহিছে। ড০ সিঙে প্ৰশ্নকাকত ফাদিল গোচৰৰ অভিযুক্তসকলৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিধেয়কখন সদনত উত্থাপন কৰাৰ

ক্ষেত্ৰত বিলম্ব কৰা নাই। প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপে দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ অন্ধকাৰলৈ ঠেলি দিয়াৰ অনুমতি যে কাৰো নাই সেই কথাটোকে প্ৰমাণ কৰিছে।

*(বাইট ঃ জিতেন্দ্ৰ সিং)*

আলোচনাত ভাগ লৈ বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গে কয়, যে চৰকাৰে এই নতুন বিধায়কখনত কেৱল দেখুওৱাৰ বাবেহে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই প্ৰস্তাৱিত বিধেয়কখনে পৰীক্ষাসমূহৰ অনিয়ম প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত কোনো প্ৰভাৱ নেপেলায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংসদ ভৱনত অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সাংসদসকলৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বৈঠকত দুয়োখন ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হয়। কেন্দ্ৰীয় চৰকাৰে এই দুৰ্যোগৰ সময়ত অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডক সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যদুখনৰ জনসাধাৰণৰ কল্যাণ আৰু সুৰক্ষা বাবে প্ৰাৰ্থনা জনায়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে বৈঠকত প্ৰধানমন্ত্ৰীয়ে ৰাজ্য দুখনলৈ সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়াৰ লগতে বান প্ৰভাৱিত লোকসকলে যাতে সময়মতে সকলো ধৰণৰ সাহায্য লাভ কৰে সেয়া সুনিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ooooo

সংসদত আজি ৰাষ্ট্ৰীয় সন্মানৰ প্ৰতি অপমান প্ৰতিৰোধী সংশোধনী বিধেয়ক ২০২৬ গৃহীত হৈছে। গৃহৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে ৰাষ্ট্ৰীয় সন্মানৰ প্ৰতি অপমান প্ৰতিৰোধী আইন ১৯৭১ সংশোধনৰ বাবে আজি এই বিধেয়ক উত্থাপন কৰে। বন্দে মাতৰমক ৰাষ্ট্ৰীয় সংগীত **জন গন মন**ৰ সমানে সাংবিধানিক মৰ্যাদা প্ৰদান কৰাই হৈছে এই প্ৰস্তাৱিত বিধেয়কৰ মূল উদ্দেশ্য। এই ক্ষেত্ৰত হোৱা অপৰাধৰ বাবে তিনি বছৰৰ কাৰাবাস, জৰিমনা অথবা কাৰাবাস আৰু জৰিমনাৰ শাস্তি হ'ব পাৰে।

বিধেয়ক সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰত গৃহ ৰাজ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই বিধেয়কখন কেৱল আইনী সংশোধনেই নহয়। বিধেয়কখনে দেশৰ সাংস্কৃতিক ঐতিহ্য, ৰাষ্ট্ৰীয় পৰিচয় আৰু দেশৰ স্বাধীনতা সংগ্ৰামৰ আদৰ্শকো প্ৰতিনিধিত্ব কৰিছে। তেওঁ কয়, যে ১৯৭১ চনৰ ৰাষ্ট্ৰীয় সন্মানৰ প্ৰতি অপমান প্ৰতিৰোধী আইনৰ জৰিয়তে ৰাষ্ট্ৰীয় সংগীতৰ প্ৰতি সন্মান সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰা হৈছে। শ্ৰী ৰায়ে কয়, যে বন্দে মাতৰম কেৱল এটা গীত নহয়, বৰঞ্চ ৰাষ্ট্ৰৰ আত্মাৰ কণ্ঠ। তেওঁ কয়, যে এই বিধেয়কৰ জৰিয়তে একতা, সন্মান আৰু দেশৰ স্বাধীনতা সংগ্ৰামৰ ঐতিহ্য আৰু আদৰ্শক অধিক শক্তিশালী কৰিব।

(বাইট ঃ নিত্যানন্দ ৰায়)

আলোচনাত অংশগ্ৰহণ কৰি ডি এম কেৰ কে কানিম'ঝিয়ে এই বিধেয়কৰ বিৰোধিতা কৰি কয়, যে বিধেয়কখনে দেশৰ জনসাধাৰণৰ মাজত বিভেদৰ সৃষ্টি কৰিব। বিধেয়কখনৰ প্ৰতি সমৰ্থন আগবঢ়াই বিজেপিৰ সম্বিত পাত্ৰই কয়, যে এই বিধেয়কখন যথেষ্ট গুৰুত্বপূৰ্ণ। তেওঁ কয়, যে এই বিধেয়কৰ জৰিয়তে নৰেন্দ্ৰ মোদী চৰকাৰে ৰাষ্ট্ৰীয় গীতক আইনী সংৰক্ষণ প্ৰদান কৰিছে। এই বিধেয়ক গৃহীত হোৱাৰ পাছত লোকসভা কাইলৈ দিনৰ ১১ বজালৈ স্থগিত ৰখা হয়।

০০০০০

অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে। সবাতোকৈ ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বহু অঞ্চল এতিয়াও বন্ধ পানীত বুৰ গৈ আছে। বিহুবৰৰ নেপালীখুটিত একেটা পৰিযালৰ ৩ গৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰৰ পাছত সাম্প্ৰতিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮১ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰা শেহতীয়া ঘোষণা অনুযায়ী বানত প্ৰাণ হেৰুৱা লোক সকলৰ প্ৰতিগৰাকী নিকট আত্মীয়ক ৯ লাখ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। ইয়াৰে ৪ লাখ টকা অনুকম্পমূলক পুঁজি আৰু ৫ লাখ মুখ্যমন্ত্ৰী সাহাৰ্য্য পুঁজিৰ পৰা প্ৰদান কৰা হ'ব। ইয়াৰ লগতে বানত নিৰুদ্দিষ্ট হৈ থকা ব্যক্তি সকলৰ ক্ষেত্ৰতো সমপৰিমানৰ অনুদানৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰিছে। শিৱসাগৰ জিলাত ইতিমধ্যে নিহত ৩০ জন ব্যক্তিৰ পৰিয়ালক এই ৯ লাখ টকা প্ৰদান কৰা হৈছে।

শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাৰ ওপৰি শোণিতপুৰ, গোলাঘাট, নগাওঁ আৰু কামৰূপ মহানগৰ জিলাতো ভালেমান অঞ্চল বানৰ কৱলত আছে। গোলাঘাট জিলাত বান পৰিস্থিতি সুস্থিৰ হৈছে যদিও ৭৫ খন গাঁৱৰ বহু অঞ্চল এতিয়াও বান প্ৰভাৱিত হৈ আছে।

নাগালেণ্ডৰ নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পত আজি পুৱা ৮ বজালৈ জলাধৰৰ পানীৰ স্তৰ ৩২২ দশমিক ৪ - ০ মিটাৰত আছে। প্ৰকল্পটোৰ ২, ৩ আৰু ৪ নম্বৰ স্পীলৱে গে'ট খুলি পানী এৰি থকা হৈছে। স্পীল ৱেৰ জৰিয়তে প্ৰতি চেকেণ্ডত প্ৰায় ৯৪ ঘনমিটাৰ পানী এৰি থকা হৈছে।

ইপিনে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এটা ১৫ জনীয়া প্ৰতিনিধি দলে আজি উজনি অসমৰ চাৰিখন জিলা ভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ বুজ ল'ব। দলটোৱে এই জিলাকেইখনত এম জি এনৰেগাৰ হিতাধিকাৰীসকলৰ বাবে ভি বি জী ৰামজী আঁচনি ৰূপায়ণকে ধৰি পুনৰ সংস্থাপনৰ বাবে বিভিন্ন দিশত তদাৰক কৰিব বুলি মন্ত্ৰী অতুল বৰাই কালি অসম বিধানসভাৰ অন্তিম দিনা সদনত প্ৰকাশ কৰে।

০০০০০

পূব কংগোত ইবোলা ভাইৰাছৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৫০০তকৈও অধিক হৈছেগৈ। কংগোৰ চৰকাৰী সূত্ৰই জনোৱা মতে এসপ্তাহত এই ভাইৰাছত মৃত্যু হোৱা লোকৰ সংখ্যা ৫০ শতাংশ বৃদ্ধি পাইছে। জানিব পৰা মতে যোৱা মঙলবাৰলৈকে এই ভাইৰাছত আক্ৰান্ত তিনি হাজাৰ ৪০০তকৈও অধিক লোকৰ, এহেজাৰ ৫০০তকৈও অধিকজনৰ মৃত্যু হৈছে। উল্লেখযোগ্য যে এইবাৰৰ ইবোলা ভাইৰাছৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা পূৰ্বৰ ইবোলা ভাইৰাছৰ সংক্ৰমণৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে। কিয়নো এইবাৰৰ ইবোলা মহামাৰী বুণ্ডিবিয়োগো ভাইৰাছৰ বাবে হৈছে। এই ভাইৰাছৰ টীকা বা চিকিৎসা এতিয়াও উপলব্ধ নহয়।

০০০০০

বিহাৰ, গুজৰাট আৰু মধ্যপ্ৰদেশ বিধানসভাৰ উপ-নিৰ্বাচন আজি অনুষ্ঠিত হয়। বিহাৰৰ বাংকিপুৰ বিধানসভা সমষ্টি, গুজৰাটৰ মঞ্জলপুৰ আৰু মধ্যপ্ৰদেশৰ দাতিয়া বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি পাঁচ বজালৈ বাংকিপুৰ আৰু মঞ্জলপুৰ বিধানসভা সমষ্টিকেইটাত প্ৰায় ৩৪ শতাংশ ভোটদান হৈছে। আনহাতে দাতিয়া সমষ্টিত ৬৯ শতাংশ ভোটদানৰ বাতৰি পোৱা গৈছে।

০০০০০

স্কটলেণ্ডৰ গ্লাছগোত চলি থকা কমনৱেলথ্ গেমছত ভাৰতৰ নিৰজ ছোপ্ৰা, ৰোহিত য়াদভ আৰু য়ছ্বীৰ সিং পুৰুষৰ জেভলিনৰ ফাইনেলত প্ৰৱেশ কৰিছে। কোৱালিফিকেচন ৰাউণ্ডত নিজৰ ছোপ্ৰা পঞ্চম, ৰোহিত য়াদৱ নৱম আৰু য়ছ্বীৰ সিং দশম স্থানত থাকে। ইপিনে কমনৱেলথ্ গেমছৰ পেৰা এথলেটিকছত ভাৰতৰ এথলিটসকলে স্মৰণীয় অধ্যায় লিপিবদ্ধ কৰিছে। পেৰা এথলেটিকছৰ পুৰুষৰ ১০০ মিটাৰ দৌৰৰ T-47 শাখাত দিলীপ মহাদু গাৱিটে সোণৰ আৰু মহম্মদ বাছিল মৰ্ছিংগানাকাথিয়ে ৰূপৰ পদক লাভ কৰিছে। ইংলেণ্ডৰ কেভিন সন্তোষে ব্ৰঞ্জৰ পদক দখল কৰে। মহিলাৰ ভাৰত্তোলনৰ ৪৮ কিলোগ্ৰাম শাখাত মীৰাবাঈ চানু আৰু F-57 পেৰা এথলিট শাখাত মহিলাৰ শ্বটপুটত শৰ্মিলা ধনকাৰে সোণৰ পদক লাভ কৰাৰ পিছত এয়া হৈছে ভাৰতৰ তৃতীয়টো সোণৰ পদক। তিনিটা সোণ, ৯ টা ৰূপ আৰু ৩ টা ব্ৰঞ্জৰ পদকসহ মুঠ ১৫ টা পদকেৰে ভাৰত পদক তালিকাৰ অষ্টম স্থানত আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ